# গুৱাহাটী বিশ্ববিদ্যালয় দূৰ আৰু অন্‌লাইন শিক্ষা কেন্দ্ৰ

## গৃহপঞ্জী

## দ্বিতীয় ষাণ্মাসিক

## অসমীয়া স্নাতকোত্তৰ, শৈক্ষিক বৰ্ষঃ ২০২৩-২৪ (জুলাই-আগষ্ট)

**নিৰ্দেশাৱলীঃ—**

(১) কেৱল ২০২৩-২৪ (জুলাই-আগষ্ট) শৈক্ষিক বৰ্ষৰ বাবে নামভৰ্তি কৰা শিক্ষাৰ্থীসকলে গৃহপঞ্জী লিখিব।

(২) শিক্ষাৰ্থীসকলে নিজৰ ৰোল নং, জি. ইউ. পঞ্জীয়ন নম্বৰ, বিষয়, যান্মাসিক, পাঠ্যবিষয়ৰ শিৰোনাম, কাকত নং আৰু অধ্যয়ন কেন্দ্ৰৰ নাম উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাত স্পষ্টকৈ উল্লেখ কৰিব লাগিব।

(৩) গৃহপঞ্জীৰ ফৰ্মেটটো GUCDOE ৱেবছাইটত উপলব্ধ। শিক্ষাৰ্থীসকলে সেই ফৰ্মেটটো ডাউনলোড কৰি তাতেই উত্তৰ প্ৰস্তুত কৰিব লাগিব।

(৪) প্ৰতিখন কাকতৰ বাবে দুটা বাধ্যতামূলক প্ৰশ্ন থাকিব। দুয়োটা প্ৰশ্নৰ বাবে এটাকৈ বিকল্প থাকিব। প্ৰতিটো প্ৰশ্নোত্তৰৰ বাবে মূল্যাংক থাকিব ১০। (মুঠ নম্বৰঃ ২ টা প্ৰশ্ন × ১০ নম্বৰ = ২০ নম্বৰ)

(৫) টাইপিং অথবা কম্পিউটাৰাইজ্ উত্তৰ বহী গ্ৰহণ কৰা নহ'ব। শিক্ষাৰ্থীসকলে নিজ হাতে লিখা উত্তৰ বহী জমা দিব লাগিব।

(৬) ১০ নম্বৰৰ বাবে প্ৰতিটো প্ৰশ্নোত্তৰ ৪০০ শব্দৰ ভিতৰত হ'ব লাগিব।

(৭) উত্তৰ লিখনত অন্য উৎসৰ পৰা আংশিক বা সম্পূৰ্ণভাৱে হুবহু প্ৰশ্নোত্তৰ লিখাটো অনৈতিক কাৰ্য হিচাপে গণ্য কৰা হ'ব।

(৮) GUCDOE-ৰ অধীনত বিভিন্ন Study Centre-ৰ শিক্ষাৰ্থীসকলে নিজ নিজ অধ্যয়ন কেন্দ্ৰত গৃহপঞ্জী জমা দিয়াটো বাধ্যতামূলক।

(৯) GUCDOE কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে GUCDOE কাৰ্যালয়ত নিজৰ গৃহপঞ্জী জমা দিব।

(১০) **গৃহপঞ্জীৰ জমা দিয়াৰ অন্তিম তাৰিখ ২ চেপ্তেম্বৰ, ২০২৪।**

---

## পাঠ্যবিষয় ঃ ASM-2016 (অসমীয়া কবিতা (১৮৮৯-২০১৫))

**১ নং প্ৰশ্নঃ** ৰোমান্টিক কবিতাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি আলোচনা প্ৰস্তুত কৰক। ১০

*অথবা*

দেৱকান্ত বৰুৱাৰ 'অপ্ৰকাশ' কবিতাটিৰ মূলভাৱটোৰ সবিশেষ বিশ্লেষণ কৰক। ১০

**২ নং প্ৰশ্নঃ** হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটিত এন্ধাৰক কিয় ভাল বুলি কৈছে বিচাৰ কৰক। ১০

*অথবা*

আধুনিক কবিতা হিচাপে নীলিম কুমাৰৰ 'গুৱাহাটী' কবিতাটিৰ এটি সমীক্ষা আগবঢ়াওক। ১০

## পাঠ্যবিষয় ঃ ASM-2026 (অসমীয়া গদ্য (১৮৪৬-২০১৫))

**১ নং প্ৰশ্নঃ** "বেজবৰুৱাৰ সুন্দৰ কথনভংগী, ৰসিকতা আদি গুণে এটি বিশেষ সময়ত অসমৰ বহল সামাজিক চিত্ৰ এখনি দাঙি ধৰিছে 'মোৰ জীৱন সোঁৱৰণ'ত।" আপোনাৰ পাঠ্যৰ আধাৰত বক্তব্যটি বিশ্লেষণ কৰক। ১০

*অথবা*

সত্যনাথ বৰাক কি কাৰণে অসমৰ বেকন আখ্যা দিয়া হয়? 'বৰলোকৰ চৰিত্ৰ অধ্যয়ন' পাঠৰ আধাৰত সত্যনাথ বৰাৰ গদ্যশৈলীৰ বিষয়ে এটি আলোচনা আগবঢ়াওক। ১০

**২ নং প্ৰশ্নঃ** বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ সমালোচনাত হীৰেন গোহাঁইয়ে তদানীন্তন আৰ্থ-সামাজিক দিশ সম্পৰ্কে কেনেধৰণৰ পৰ্যালোচনা দাঙি ধৰিছে, যুক্তিৰে বিচাৰ কৰক। ১০

*অথবা*

বাণীকান্ত কাকতিৰ 'সৌন্দৰ্যৰ প্ৰতাৰণা' পাঠটোৰ আধাৰত কাকতিৰ গদ্যৰীতিৰ এটি বিশ্লেষণ আগবঢ়াওক। ১০

## পাঠ্যবিষয় ঃ ASM-2036 (অসমীয়া নাটক আৰু পৰিবেশন কলা (১৮৫৭-২০১৫))

তলৰ যিকোনো দুটা বিষয় বাছি লৈ প্ৰতিটোৰে সন্দৰ্ভত একোটা নিবন্ধ প্ৰস্তুত কৰক ঃ— ২×১০= ২০

(ক) অসমীয়া অনাতাঁৰ নাটকৰ ধাৰা।

(খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকত শ্বেইকছ্‌পীয়েৰীয় আৰু ইবছেনীয় প্ৰভাৱ।

(গ) জীৱনীভিত্তিক নাটক হিচাপে মহেন্দ্ৰ বৰঠাকুৰৰ *'শৰাগুৰি চাপৰি'*।

(ঘ) অৰুণ শৰ্মাৰ *'শ্ৰীনিবাৰণ ভট্টাচাৰ্য'* নাটকৰ ট্ৰেজিক আবেদন।

(ঙ) সাম্প্ৰতিক অসমীয়া সম্পৰীক্ষামূলক নাটক।

## পাঠ্যবিষয় ঃ ASM-2046 (ভাৰতীয় সাহিত্য সমালোচনা)

**১ নং প্ৰশ্নঃ** শব্দশক্তি বুলিলে কি বুজা যায়? শব্দশক্তিৰ প্ৰকাৰসমূহৰ ওপৰত এটি আলোচনা প্ৰস্তুত কৰক। ১০

*অথবা*

'ধ্বনিবাদ'ৰ প্ৰধান প্ৰবক্তা কোন? ধ্বনিৰ সংজ্ঞা, বিভাজন তথা স্বৰূপ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক। ১০

**২ নং প্ৰশ্নঃ** ৰসোপলব্ধি কেনেকৈ হয়? কাব্যত ৰসোপলব্ধি সম্বন্ধে সৃষ্টি হোৱা মতবাদসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক। ১০

*অথবা*

মধ্যকালীন ভাৰতীয় ভক্তিবাদী সাহিত্যত ভক্তিৰসৰ ধাৰণা কেনেদৰে প্ৰস্ফুটিত হৈছে সেই সম্বন্ধে এটি আলোচনা আগবঢ়াওক। ১০

—×—

গুৱাহাটী বিশ্ববিদ্যালয়

# Gauhati University

দূৰ আৰু অন্‌লাইন শিক্ষা কেন্দ্ৰ

# Centre for Distance and Online Education

## ASNWERSCRIPT FOR HOME ASSIGNMENT

**Roll Number (8 digit):** ........................................................................
*(GUCDOE Enrollment No)*

**G.U. Registration No.:** ........................................................................

**Programme Name:** ........................................................................

**Semester:** ........................................................................

**Paper Title:** ........................................................................

**Paper Code:** ........................................................................

**Name of the Study Centre:**........................................................................

**N.B.: Please note that the Name of the Candidate should not be mentioned anywhere. If found, the asnwer script will not be evaluated.)**